**Education (General)**
**Semester -6th**
**Paper -6.02**
**(Environmental Education and Population Education)**

## Unit-4: (পৰিৱেশীয় বিপদসংকূলতা আৰু দুৰ্যোগ ব্যৱস্থাপনা শিক্ষা)

### পৰিৱেশীয় বিপদ সংকূলতা

বিভিন্ন প্ৰকাৰৰ মানুহ,জীৱ-জন্তু, উদ্ভিদ তথা ক্ষুদ্ৰাতি ক্ষুদ্ৰ জীৱ সমূহৰ জন্ম আৰু বিকাশৰ ওপৰত যিবোৰ বাহ্যিক কাৰকে প্ৰভাৱ বিস্তাৰ কৰে আৰু যি পাৰিপাৰ্শ্বিক অৱস্থাত এইবোৰ ঘটে সেই আটাইবোৰকে একেলগে পৰিৱেশ বোলে। পৰিবেশক দুই ধৰণে ভাগ কৰিব পাৰি ।

**(ক)** প্ৰাকৃতিক পৰিৱেশ
**(খ)** মানৱ সৃষ্ট পৰিৱেশ।

প্ৰাকৃতিক  পৰিৱেশ গঠিত হয় মূলত তিনিটা উপাদানৰ দ্বাৰা –

**i)** ভৌতিক বা অজৈৱিক উপাদান
**ii)** জৈৱিক উপাদান
**iii)** শক্তি উপাদান

আমি যিটো পৰিবেশত বাস কৰিছো সেইটো হৈছে প্ৰাকৃতিক পৰিৱেশ আৰু মানৱ সৃষ্ট পৰিবেশৰ এক সমন্বয় মানৱ সভ্যতা যিমানে আগুৱাই গল সিমানে জনসংখ্যা বৃদ্ধি হৈ আহিল এই  বৰ্ধিত জন সংখ্যাই প্ৰাকৃতিক পৰিবেশৰ ওপৰত ক্ৰমান্বয়ে প্ৰভাৱ বিস্তাৰ কৰিব ললে। এই প্ৰভাৱ বেছি গুৰুতৰ হয় আহিবলৈ ধৰাত প্ৰাকৃতিক পৰিবেশত বিস্তৰ ক্ষতি হবলৈ ধৰিলে।
'stressors' শব্দটোৰ অভিধানি অৰ্থ any agent that causes stress to an organism অৰ্থাৎ জীৱিত প্ৰানী বা উদ্ভিদৰ প্ৰতি বিপদ বা হেঁচা সৃষ্টি কৰিব পৰা যিকোনো কাৰক নাইবা "an agent condition or other stimulus that causes stress to an organism" অৰ্থাৎ জীৱিত প্ৰাণী বা উদ্ভিদৰ প্ৰতি বিপদ বা যাতনা  সৃষ্টিকাৰী এক কাৰক অৱস্থা নাইবা অন্যান্য উদ্দীপক।  গতিকে অভিধানিক অৰ্থৰ ফালৰ পৰা কব পাৰো যে বিপদসংকূলতা হৈছে পৰিবেশীয় সেইবোৰ কাৰক যিবোৰে জীৱিত প্ৰাণী বা উদ্ভিদৰ প্ৰতি বিপদ বা হেচা কঢ়িয়াই আনে।
**সংজ্ঞা-**
**উইলকিনচ** মতে, *"পৰিবেশীয়  অৱস্থাৰ কিছুমান অস্বাভাৱিক অৱস্থাকে পৰিবেশীয় বিপদ সংকূলতা বোলে।"*
**পিটাৰ এ হেনককৰ** মতে,*"বিপদ সংকূলতাৰ এক সহজ আৰু কিছু পৰিমাণে ব্যৱহাৰ উপযোগী ধৰণ হৈছে এইয়ে যে এনে পৰিবেশীয় অৱস্থা যি সম্পাদনকাৰীৰ মনোযোগ বৰ্তাই ৰখা প্ৰচেষ্টাৰ আৰাম দায়ক অৱস্থা পৰিবৰ্তন কৰাৰ কাম কৰে ।"*

**<u>পৰিবেশীয় বিপদ সংকূলতাৰ প্ৰকাৰ সমূহ</u>**

পৰিবেশীয় বিপদসংকূলতা বহল ভাবে দুটা ভাগত ভাগ কৰিব পাৰি ।

**ক) প্ৰাকৃতিক বিপদসংকূলতা**
**খ) মানৱসৃষ্ট বিপদসংকূলতা**

**ক) প্ৰাকৃতিক বিপদসংকূলতা:**

প্ৰাকৃতিক বিপদসংকূলতা হ'ল এনেবোৰ প্ৰাকৃতিক উপাদান যিয়ে পৰিবেশৰ ওপৰত বিপদ জনক ভাবে চাপৰ সৃষ্টি কৰে আৰু ইয়াকে আমি প্ৰাকৃতিক পৰিবেশীয় বিপদসংকূলতা বুলি কব পাৰো । প্ৰাকৃতিক বা স্বভাবিক বিপদসংকূলতা দুটা ভাগত ভগাব পাৰি ।যেনে-

**i)** গ্ৰহ সম্বন্ধীয় বিপদসংকূলতা ।
**ii)** অতিৰিক্ত গ্ৰহ সম্বন্ধীয় বিপদসংকূলতা

**i) গ্ৰহ সম্বন্ধীয় বিপদসংকূলতা:** গ্ৰহ সম্বন্ধীয় বিপদসংকূলতা দুটা ভাগত ভগাব পাৰি ।যেনে-

- পাৰ্থিৱ বা জাগতিক বিপদসংকূলতা ।
- বায়ুমণ্ডল বা বাতাবৰণ সম্বন্ধীয় বিপদসংকূলতা।

**পাৰ্থিৱ বা জাগতিক বিপদসংকূলতা:** যিবোৰ বিপদ সংকূলতা পৃথিৱীৰ ওপৰি ভাগত নিজস্ব ভাবে নাইবা ভূ-গৰ্ভৰ অন্তৰ ভাগত সৃষ্টি হোৱা উত্তাপৰ তাৰ ফলস্বৰূপে সংঘটিত হয় । সেইবোৰক পাৰ্থিৱ বা জাগতিক বিপদ সংকূলতা বোলা হয় । কেতবোৰ পাৰ্থিৱ বিপদ সংকূলতা তলত উল্লেখ কৰা হ'ল –

**আগ্নেয়গিৰিৰ উদগীৰণ:** পৃথিৱীৰ আন্ত:ভাগত থকা উত্তপ্ত পদাৰ্থ সমূহ প্ৰচণ্ড তাপ আৰু চাপৰ ফলত কেতিয়াবা কেতিয়াবা ভূ-পৃষ্টত থকা অগ্নিয়নলীৰে বাহিৰলৈ ওলায় আহে । এনে অৱস্থাকে জ্বালামুখী বা আগ্নেয়গিৰি উদগীৰণ বোলে । আগ্নেয়গিৰি উদগীৰণৰ ফলত উতপ্ত লাভা, বিষাক্ত গেছ, ধোৱা,চাই আদি বাহিৰলৈ ওলায় আহে এনে ধোৱা চাই গেছ আদিয়ে পৰিবেশৰ প্ৰতি বিপদসংকূলতা কঢ়িয়াই আনিব পাৰে ।

**ভূমিকম্প:** পৃথিৱীৰ খোলাত থকা প্লেট বা ফলকত আকস্মিক গতি বা পৰিৰ্বতনৰ ফলস্বৰূপে পৃথিৱীৰ ওপৰি ভাগত তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰা অৱস্থাকে ভূমিকম্প বোলে । ভূমিকম্প হৈছে এক বৰ ভয়াবহ প্ৰাকৃতিক দূৰ্যোগ বা প্ৰাকৃতিক বিপদ সংকূলতা । ই চকুৰ নিমিষতে পৃথিৱীৰ ওপৰি ভাগৰ ৰেহ ৰূপ সলনি কৰি পেলাব পাৰি । ঘৰ দুৱাৰ ভাঙি নগৰ চহৰ ধ্বংস কৰি পাহাৰক বিল কৰি এক আতংকময় পৰিস্থিতি সৃষ্টি কৰি ভূমিকম্পই প্ৰাণী জগত আৰু উদ্ভিদ জগতৰ যথেষ্ট ক্ষতি সাধন কৰিব পাৰে ।

**ভূমিস্খলন:** ভূমিস্খলন হৈছে পাহাৰীয়া বা এঢলীয়া ঠাইত সংঘটিত হোৱা প্ৰাকৃতিক বিপদ সংকূলতা । যেতিয়া ওখ এঢলীয়া ঠাইত থকা মাটি, শিল - বালি, গছ - গছনি আদি একেলগে আকস্মিক ভাবে একেলগে তললৈ খহি পৰে তাকে ভূমিস্খলন বোলে । ভূমিস্খলন মধ্যাকৰ্ষণ শক্তি, ভূমিকম্প আৰু তীব্ৰ বৰষুণৰ ফলস্বৰূপে সংগঠিত হব পাৰে । নিৰ্বনানিকৃত অঞ্চলত সাধাৰণতে বেছি পৰিমাণে ভূমিস্খলন হোৱা দেখিব পোৱা যায় ।

**ছুনামি :** ছুনামি হৈছে সাগৰৰ গৰ্ভৰ পৰা সৃষ্টি হোৱা এক প্ৰাকৃতিক বিপদসংকুলতা। 'Tsunami' শব্দটোৰ উৎপত্তি হৈছে দুটা জাপানী শব্দ পৰা সেয়া হ'ল - 'Tsu' অৰ্থাৎ বন্দৰ আৰু 'Nami' অৰ্থাৎ ধৌ। সামগ্ৰীক ভাবে ছুনামি মানে হ'ল বন্দৰৰ ধৌ। সাগৰৰ তলিত হোৱা ভূমিকম্প আৰু ভূমিস্খলনৰ ফলত ছুনামিৰ সৃষ্টি হব পাৰে। অৱশ্যে কেতিয়াবা সাগৰ তলিত হোৱা আগ্নেয়গিৰিৰ উদগীৰণ নাইবা চন্দ্ৰ,সূৰ্য আৰু পৃথিৱীৰ আকৰ্ষণৰ ফলতো ছুনামিৰ সৃষ্টি হব পাৰে। ছুনামিৰ গতি বেগ ঘন্টাত ৭০০ কি:লো: মিটাৰ অধিক হয় সেয়েহে ইয়াৰ প্ৰভাৱ যথেষ্ট ক্ষতি কাৰক হয়।

**বায়ুমণ্ডল বা বাতাবৰণ সম্বন্ধীয় বিপদসংকূলতা:** বায়ুমণ্ডল বা বাতাবৰণ সম্বন্ধীয় বিপদসংকূলতা সেইবোৰ কাৰক যি জলবায়ু তথা বতৰৰ চৰম হ্ৰাস বা বৃদ্ধিৰ ফলত সংঘটিত হয়। এনে বিপদসংকূলতা অত্যাধিক মাত্ৰাত সংঘটিত নহলেও কিন্তু বিপদ মুক্ত নহয়। এনে বিপদসংকূলতাই বায়ুমণ্ডলতো বিপদৰ সৃষ্টি কৰে। ইয়াক আকৌ দুটা শ্ৰেণীত বিভক্ত কৰিব পাৰি। সেয়া হ'ল-

- অস্বাভাৱিক বা বিৰল ঘটনা
- ক্ৰমবৰ্ধমান সম্বন্ধীয় বিপদসংকূলতা

**অস্বাভাৱিক বা বিৰল ঘটনা:**এনে ধৰণৰ বিপদসংকূলতা হঠাতে সংঘটিত হয়। তলত কেইটামান উদাহৰণ দিয়া হ'ল -
**বজ্ৰপাত:** বজ্ৰপাত হল ডাৱৰ বা মেঘৰ পৰা পৃথিৱীলৈ ভয়ংকৰ গাজনিৰে সন্মিলিত হোৱা বিদ্যুতস্ৰোত বজ্ৰপাতৰ ফলত ঘৰ গছ - গছনি ধ্বংস হোৱাৰ উপৰিও মানুহ বা প্ৰাণীৰ প্ৰাণ হানী হব পাৰে।

**ঘূৰ্ণিবতাহ:** ঘূৰ্ণিবতাহ হ'ল বায়ুমণ্ডলক ভয়ানক ভাবে অশান্ত কৰি তোলা আৰু ভূ-পৃষ্টত তাণ্ডৱৰ সৃষ্টি কৰা এক তীব্ৰ বেগী বতাহ। ভাৰতৰ নিম্ন চাপৰ বায়ুমণ্ডলৰ নিম্ন চাপ অঞ্চলৰ দ্বাৰা সৃষ্টি হোৱা আৰু পাক খাই খাই বেগেৰে গতি কৰা ধুমুহা বতাহক ঘূৰ্ণী বতাহ বা চাইক্লন নামেৰে জনা যায়। ইয়াৰ ফলত মানুহৰ ঘৰ-দুৱাৰ, খেতি পথাৰ ক্ষতিগ্ৰস্ত হয়। ভাৰতত সাধাৰণতে বংগোপ সাগৰত বেছি ভাগ ঘূৰ্ণী বতাহৰ সৃষ্টি হয়।

**শিলাবৃষ্টি:** ধুমুহা বৰষুণৰ সময় চোৱাত বহু পৰিমাণে হীম শিলাৰ সৃষ্টি হয়। বৰষুণৰ আকাৰত পৃথিৱীলৈ বৰ্ষণ হোৱা আঘাতকে শিলাবৃষ্টি বুলিব পাৰি ।শিলাবৃষ্টিৰ ফলত মানুহ জীৱ - জন্তু, গছ-গছনি আদিলৈ বিপদ নামি আহিছে।

**ক্ৰমবৰ্ধমান সম্বন্ধীয় বিপদ সংকূলতা:** এই প্ৰকাৰৰ বিপদসংকূলতা ক্ৰমবৰ্ধমান ৰূপত বায়ুমণ্ডল বা জলমণ্ডলৰ তাৰতম্য ফলস্বৰূপে সংঘটিত হয়। এনে বিপদ সংকূলতাবোৰৰ চমু বৰ্ননা তলত দিয়া হ'ল –

**বানপানী:** বানপানীৰ ফলত সৃষ্টি হোৱা প্ৰাকৃতিক দূৰ্যোগ সমূহে গৰাখহনীয়াৰ সৃষ্টি কৰিছে। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা বিভিন্ন অঞ্চল যেনে - ডিব্ৰুগড়, ধেমাজি, মাজুলী, পলাসবাৰী আদি অঞ্চলত বানপানীয়ে জটিল সমস্যা সৃষ্টি কৰি আহিছে।
**অনাবৃষ্টি:** বৰষুণৰ অভাৱতো সমস্যাৰ সৃষ্টি হয়। বহুদিন বৰষুণ নোহোৱাৰ ফলত মাটি শুকান হৈ ফাঁট মেলে আৰু এই অৱস্থাকে খৰাং বতৰ বোলে। খেতি - পথাৰত আৰু মানুহৰ স্বাস্থ্যৰ ওপৰত যথেষ্ট ক্ষতি সাধন হোৱা দেখা যায়।
**গ্ৰীষ্ম প্ৰৱাহ:** বহু দিন ধৰি অত্যাধিক গৰম বতৰ চলি থকা অৱস্থাকে গ্ৰীষ্ম প্ৰৱাহ বোলে। ইয়াৰ ফলত মানুহ, প্ৰাণী আৰু উদ্ভিদ জগতৰ যথেষ্ট ক্ষতি সাধন হোৱা দেখা যায়।

**ii) অতিৰিক্ত গ্ৰহ সম্বন্ধীয় বিপদ সংকূলতা:**

বিশ্বৰ বিজ্ঞানী সকলে কব খোজে যে বহু বছৰ আগতে বিভিন্ন সময়ত পৃথিৱীৰ সতে ধুমকেতু, উল্কাপিণ্ড আদিৰ অহৰহ সংঘাত হৈ আহিছে মহাকাশত বিচৰণ কৰা ধুমকেতু, উল্কাপিণ্ড আদিৰ সৈতে হোৱা সংঘাতে সৃষ্টি কৰা বিভীষিকাক অতিৰিক্ত গ্ৰহ সম্বন্ধীয় বিপদসংকূলতা বুলি কোৱা হয় । এই সন্দৰ্ভত বিজ্ঞানী সকলে কয় যে পৃথিৱীৰ ঘূৰ্ণনৰ সময়ত মেৰুদণ্ড স্থিতিৰ সামান্য পৰিবৰ্তনে সৃষ্টি কৰা এই সংঘাতৰ ফলত ধুলি, বতাহ, ঘূৰ্ণিবতাহ, সাগৰ পৃষ্ঠত পৰিবৰ্তন, বতৰৰ পৰিবৰ্তন আগ্নেয়গিৰিৰ উদগীৰণ আদিৰ সৃষ্টি হয় ।

**খ) মানৱসৃষ্ট বিপদসংকুলতা**

মানৱসৃষ্ট বিপদসংকুলতাৰ সংখ্যা অধিক আৰু সময় অতিবাহিত হোৱাৰ লগে লগে ইয়াৰ পৰিসৰ বৃদ্ধি পাই উঠাটো লক্ষ্য কৰিব পাৰি যিবোৰ পৰিৱেশীয় বিপদসংকুলতা মানুহৰ নিজ সম্পদ ৰাজি লাভ কৰাৰ স্বাৰ্থপৰতা, নিৰ্বোধ, নিৰ্বিচাৰে অপচয়, ধ্বংস আৰু লুন্ঠনমূলক কাৰ্যৰ দ্বাৰা সংঘটিত কৰি আহিছে , সেইবোৰ উদ্বেগজনক বিপদসংকুলতাক মানৱসৃষ্ট বিপদসংকুলতা বুলি কোৱা হয় । এই বিপদসংকুলতাৰ কাৰণ স্বতঃস্ফূৰ্ত আৰু বিবেচনামূলক দুই ধৰণৰ বৈশিষ্ট্যই হ'ব পাৰে । মানৱসৃষ্ট বিপদ সংকুলতাবোৰ হ'ল - সেউজীয়া অৰণ্য অঞ্চল মৰুভূমিত পৰিণত কৰা, উদ্যোগীকৰণ আৰু আধুনিকীকৰণৰ নামত বায়ুমণ্ডল বিষাক্ত গেছেৰে প্ৰদূষিত কৰি তোলা, জনসংখ্যা বৃদ্ধি ইত্যাদি । মানৱসৃষ্ট বিপদ সংকুলতা তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে ।

- **ভৌতিক বা পাৰ্থিৱ বিপদসংকুলতা:** দায়িত্বহীনভাৱে মানুহে পাহাৰীয়া অঞ্চলৰ মাটি কাটি সৃষ্টি কৰা থহনীয়া, ভূমিস্খলন ইত্যাদি ।

- **ৰাসায়নিক বিপদসংকুলতা:** মানুহৰ দ্বাৰা সংঘটিত কৰা পৰিবেশ প্ৰদূষণ হৈছে দীৰ্ঘস্থায়ী আৰু সূদূৰ প্ৰসাৰীবিধৰ । ইয়াৰ প্ৰদূষণমূলক ক্ৰিয়াকলাপবোৰ পৃথিৱীৰ বায়ু, পানী আৰু মাটি বিভিন্ন ৰূপত হোৱা দেখা যায় । বায়ুমণ্ডলত অনিষ্টকাৰী গেছৰ ফলত গোলকীয় উষ্ণতা , জলমণ্ডলত খাবুৱা তেল মিহলি হোৱা , সাগৰত কৰা পাৰমানৱিক বিস্ফোৰণ , স্থলমণ্ডলত খেতিয়ক সকলে কাৰ্যত প্ৰয়োগ কৰা ৰাসায়নিক সাৰ ইত্যাদি ।

- **সামাজিক বিপদসংকুলতা:** মানুহৰ দ্বাৰা সৃষ্টি কৰা এটা গুৰুত্বপূৰ্ণ বিপদসংকুলতা হৈছে জনসংখ্যা বিস্ফোৰণ । ইয়াৰ ফলত মানুহৰ নৈতিক আৰু ধৰ্মীয় মূল্যবোধ হ্ৰাস হৈ আহিছে । অ'জন গেছৰ হ্ৰাস হোৱা, গোলকীয় উষ্ণতা বৃদ্ধি হোৱা আৰু এচিড বৰষুণ আদিৰ অনিষ্টকাৰী প্ৰভাৱ সৃষ্টি হোৱাৰ প্ৰধান কাৰণ হৈছে দ্ৰুত নগৰমুখী । জনসংখ্যা বৃদ্ধিৰ ফলত মানুহৰ ডাঙৰ ডাঙৰ অট্টালিকা ব্যৱহাৰ, আৰ্থ - সামাজিক বিশৃংখলতাৰ সৃষ্টি হ'ল সামাজিক বিপদসংকুলতা যি আমাৰ সমাজ থনৰ লগতে পৰিৱেশৰো ক্ষতি সাধন কৰি আহিছে ।

**<u>পৰিবেশীয় বিপদ সংকূলতা বোৰৰ প্ৰতিকাৰৰ উপায়</u>**

আমি ইতিমধ্যে আলোচনা কৰা দুয়োধৰণৰ পৰিবেশীয় বিপদসংকূলতাক নিৰাময় বা প্ৰতিকাৰ কৰাটো বৰ্তমান মানৱ জাতিৰ সন্মুখত এক বৃহৎ প্ৰত্যাহ্বান স্বৰূপ । এনে বিপদসংকূলতা বোৰক নিৰ্মূল কৰিব নোৱাৰিলে এদিন হয়তো পৃথিৱীৰ বুকুৰ পৰা জীৱকূলৰ অস্তিত্ব নি:শেষ হৈ পৰিব । গতিকে এনে বিপদসংকূলতা বোৰৰ প্ৰতিকাৰ আৰু প্ৰতিৰোধৰ এক উপযুক্ত ব্যৱস্থা গঢ়ি তোলাটো মানৱ জাতিৰ লগতে অন্যান্য জীৱ-জন্তুৰ বাবেও মঙ্গলজনক ।

প্ৰাকৃতিক আৰু মানৱসৃষ্ট এই দুয়োধৰণৰ বিপদসংকূলতাৰ প্ৰথম বিধৰ প্ৰতিকাৰ বা প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তোলাটো মানুহৰ সাধ্যৰ বাহিৰত । অৱেশ্যে এনে বিপদসংকূলতা বোৰৰ সময়ত লব লগা ব্যৱস্থাৱলী আৰু সাৱধানতা আদিৰ বিষয়ে জনসাধাৰণক অৱগত কৰি এইবোৰৰ পৰা হ'ব পৰা অনিষ্টকাৰী প্ৰভাৱ আৰু জীৱন-সম্পত্তি ধ্বংসৰ পৰিমাণ কিছু পৰিমাণে কমাব পাৰি।

মানৱসৃষ্ট বিপদসংকূলতা বোৰ কাৰক যিহেতু মানুহেই গতিকে এইবোৰৰ প্ৰতিকাৰ আৰু প্ৰতিৰোধৰ ব্যৱস্থা মানুহে গঢ়ি তুলিব লাগিব । প্ৰকৃতি আৰু পৰিবেশৰ প্ৰতি মানুহৰ অনিষ্টকাৰী , ধ্বংসকাৰী আৰু স্বাৰ্থপৰ মনোভাৱ নোহোৱা কৰি তাৰ ঠাইত একাত্মবোধ, দয়াশীল আৰু দায়িত্বশীল মনোভাৱৰ সৃষ্টি কৰিব লাগিব । আমাৰ চাৰিওফালে থকা প্ৰাকৃতিক সম্পদবোৰৰ সংৰক্ষণ, প্ৰয়োগকৰণ আৰু বিকাশ সাধনৰ বাবে আমি নিজ নিজ ভাবে দায়বদ্ধ হৈ উঠিব লাগিব । মানুহে তেওঁলোকৰ বৃদ্ধি বৃত্তি আৰু জ্ঞানৰ প্ৰয়োগৰ জৰিয়তে প্ৰকৃতি ইয়াৰ পৰিবেশ আৰু সম্পদৰাজিক সংৰক্ষণ কৰিবলৈ আৰু সুৰক্ষা প্ৰদান কৰিবলৈ চেষ্টা কৰিব লাগিব ।
ওপৰত আলোচনা কৰা বিভিন্ন প্ৰকাৰৰ পৰিবেশীয় বিপদ সংকূলতা বোৰৰ প্ৰতিকাৰ আৰু নিৰাময়ৰ ব্যৱস্থা ইইঁতৰ প্ৰকৃতি অনুসৰি ভিন ভিন ধৰণৰ হয় । সামগ্ৰিকভাৱে বিপদসংকূলতা নিৰাময়ৰ কিছুমান সাধাৰণ কৌশল তলত উল্লেখ কৰা হ'ল –

**ক)** জনসংখ্যাৰ বিস্ফোৰণমূলক পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে বাস্তৱ সন্মত পদক্ষেপ গ্ৰহণ কৰা । জনসংখ্যা বিস্ফোৰণৰ ফলত সৃষ্টি হ'ব পৰা পৰিবেশীয় ভয়াৱহতা সমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা ।

**খ)** দ্ৰুত উদ্যোগিকৰণ, দ্ৰুত নগৰীকৰণ,নিৰ্বনানিকৰণ আদি প্ৰক্ৰিয়াৰ কু-প্ৰভাৱ সম্পৰ্কে জ্ঞান প্ৰদানৰ যথাসম্ভৱ ব্যৱস্থা গ্ৰহণ কৰা । নগৰীকৰণ আৰু উদ্যোগীকৰণক শৃংখলাবদ্ধ আৰু বিধিসন্মত কৰি তোলা ।

**গ)** সকলো প্ৰকাৰৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ কাৰ্যকাৰী ব্যৱস্থা গ্ৰহণ কৰা । প্ৰদূষণ ৰোধৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ উপায় সমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা ।

**ঘ)** যান-বাহনৰ প্ৰয়োগৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনা প্ৰস্তুত কৰা । প্ৰদূষণমুক্ত যান-বাহন নিৰ্মানৰ প্ৰতি আৰু প্ৰয়োগৰ প্ৰতি জনসাধাৰণক উৎসাহিত কৰা।

**ঙ)** কৃষিক্ষেত্ৰত অত্যাধিক ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদিৰ প্ৰয়োগ সীমিত কৰি জৈৱিক সাৰ আৰু থলুৱা পদ্ধতি প্ৰয়োগৰ প্ৰতি কৃষৰ সকলক উৎসাহিত কৰা ।

**চ)** নগৰ অঞ্চলবোৰত গেলা-পচা বস্তু আৰু গোটা আৱৰ্জনাবোৰ য'তে-ত'তে নেপেলাই বিধিসন্মত ভাৱে ইয়াক পেলোৱা আৰু পুৰি পেলোৱাৰ ব্যৱস্থা কৰা ।

**ছ)** আন্ত:ৰাষ্ট্ৰীয় বুজাপৰাৰ মনোভাৱ সকলো দেশৰ মানুহৰ মনত গঢ়ি তুলিব লাগে । যুদ্ধৰ বিভীষিকাৰ পৰা পৃথিৱীক মুক্ত কৰি সমগ্ৰ পৃথিৱী জুৰি পাৰমানৱিক অস্ত্ৰ-শস্ত্ৰৰ পৰীক্ষা নিষিদ্ধ কৰা ।

**জ)** প্ৰাকৃতিক সম্পদ যেনে - গছ-গছনি, জীৱ-জন্তু আদিৰ ধ্বংসযজ্ঞ ৰোধ কৰা । একেদৰে খনিজ সম্পদ যেনে- তেল, কয়লা, চূনশিল, বিভিন্ন ধাতৱ পদাৰ্থ আদি আৰু জলজ সম্পদ সমূহৰ আহৰণৰ অপ্ৰত্যাশিত আৰু অনৈতিক প্ৰতিযোগিতা বন্ধ কৰা।

**ঝ)** জীৱৰ ৰুচিবোধ আৰু মূল্যবোধৰ পৰিবৰ্তন সাধন কৰি প্ৰকৃতি আৰু পৰিবেশৰ প্ৰতি এক আন্তৰিকতাপূৰ্ণ মনোভাৱ সকলো মানুহৰে মনত গঢ়ি তোলা । প্ৰাকৃতিক সম্পদবোৰৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ জৰিয়তে অসীম বিকাশ লাভৰ সপোনক নিৰুৎসাহিক কৰা ।

**ঞ)** নিজে জীয়াই থাকি আনকো জীয়াই থাকিবলৈ দিয়াৰ নীতি গ্ৰহণৰ প্ৰতি সকলো মানুহকে উৎসাহিত কৰা ।

----------------------------------------------------------------------------------------------------------------
-

(সহায় লৈ - *পৰিবেশ অধ্যয়ন* : ড° কৃষ্ণগোপাল ভট্টাচাৰ্য, ড° ৰঞ্জিত নাথ  ভট্টাচাৰ্য , ড° সিদ্ধিনাথ শৰ্মা ।
*পাৰিপাৰ্শ্বিক আৰু জনসংখ্যা শিক্ষা* : ড° মুকুল শইকীয়া , জ্যোতিস্মিতা শৰ্মা )